**অসম জাতীয় বিদ্যালয়ত গণৰাজ্য দিৱস উদ্‌যাপন**

**নুনমাটি, ২৭ জানুৱাৰি, ২০১৮ :** দেশৰ ৬৯সংখ্যক গণৰাজ্য দিৱস কালি নুনমাটিৰ অসম জাতীয় বিদ্যালয়তো উদ্‌যাপন কৰা হয়। পুৱা ৭.৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। পতাকা উত্তোলনৰ পাছত বিদ্যালয় পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মা আৰু প্ৰাগ নিউজৰ কাৰ্যবাহী সম্পাদক তথা বিদ্যালয়খনৰ এগৰাকী অভিভাৱক দিগন্ত ওজাই গণতন্ত্ৰ দিৱসৰ বিভিন্ন দিশ সম্পৰ্কে ভাষণ আগবঢ়ায়। গণৰাজ্য দিৱস উপলক্ষে আয়োজন কৰা মূল অনুষ্ঠানত এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ শিক্ষক দীপক কোচে। বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে দেশপ্ৰেমমূলক গীত-মাত পৰিৱেশন কৰাৰ লগতে শিক্ষয়িত্ৰী মনীষা ডেকাই গীত পৰিৱেশন আৰু জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰীয়ে কবিতা আবৃত্তি কৰে। ‘অসমত ইংৰাজৰ বিৰুদ্ধে স্বাধীনতা সংগ্ৰামৰ আৰম্ভণি’ শীৰ্ষক বক্তৃতা প্ৰদান কৰে জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। শিক্ষাৰ্থীসকলৰ হৈ গণৰাজ্য দিৱসৰ অনুভৱ ব্যক্ত কৰে একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী গুঞ্জন দাসে। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে শিক্ষয়িত্ৰী ৰুণিমা শৰ্মা গোস্বামীয়ে। গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ সামগ্ৰিক দায়িত্বত আছিল সমাজ বিজ্ঞান বিভাগৰ শিক্ষক কুশল গোস্বামী।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ’ন : ৯৭০৬০২৫১৬৭

**69th Republic Day of India Celebrated at Assam Jatiya Bidyalay, Noonmati**

**Noonmati, 27 January, 2018 :** Like the other parts of the country, Assam Jatiya Bidyalay, Noonmati also celebrated 69th Republic Day of India. At 7.30 am the Principal of the school hoisted the National Flag of India in the presence of hundreds of school students, guardians and other teachers. Dr. Narayan Sharma, the secretary of the management committee and Diganta Oza, the executive Editor of Prag News spoke on the importance of celebrating this historic day of India. In the main programme of the Republic Day, a few students performed patriotic songs and dances. Senior teacher Ashim Krishna Baruah delivered a speech on the beginning of the freedom struggle in Assam against the British. Juthika Patowari, a former Principal of the school, recited a patriotic poem and another teacher Monisha Deka sang a patriotic song. The whole programme was conducted by Runima Sharma Goswami, a teacher from the department of Social Science and over-all in-charge of the Republic Day programme was Kushal Goswami, a teacher from the department Social Science.

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati